# ঈশ্বৰৰ পবিত্ৰ আত্মাৰ শক্তিৰে যীচুৰ সাক্ষ্য হোৱা

ল'ৰা-ছোৱালীক শিক্ষা দিয়া সকলে অধ্যয়ন P5b পঢ়ক।


**প্ৰাৰ্থনা ঃ** "প্ৰিয় প্ৰভু, পিতৰ আৰু আন পাঁচনিবিলাকৰ দৰে, আপুনি দিয়া ক্ষমতাৰে তেওঁলোকৰ বন্ধু আৰু পৰিয়ালবোৰৰ আগত সাক্ষ্য হবলৈ মোৰ জাকৰ বিশ্বাসী সকলক সহায় কৰক।"

১। **প্ৰাৰ্থনা আৰু ঈশ্বৰৰ বাক্যৰে আপোনাৰ অন্তৰ প্ৰস্তুত কৰক।**

পাঁচনিৰ কৰ্ম্ম ৩ঃ১-২২ পদ পঢ়ক। পিতৰ আৰু যোহনে পৰিত্ৰানৰ শুভবাৰ্ত্তা অনেক লোকবিলাকক কোৱা আৰু কৰাৰ বিভিন্ন বিষয়বোৰ চাওক। *(প্ৰশ্নবোৰৰ অন্তত উত্তৰ দিয়া আছে।)*

- খোৰা মানুহজনক পিতৰে কি দিলে, সি সোনতকৈয়ো অধিক উত্তম? *(৬ পদ)*
- ক্ষমতাৰ উৎস কি আছিল যিহে বিশ্বাস কৰাত খোৰা মানুহজনক সুস্থ কৰিলে? *(১২,১৩,১৬ পদ।)*
- কি অতি গুৰুত্বপূৰ্ণ বিষয়ে পিতৰ আৰু যোহনে সাক্ষ্য দিছিল? *(১৪-১৫ পদ।)*
- মানুহবিলাকে কি কৰিব লাগে, যাতে যেন তেওঁলোকৰ পাপ ধুই নিয়া হয়? *(১৯ পদ)*

**ক্ষমতাৰে সাক্ষ্য হ'বলৈ সাতোটা সহায়**




১। **চকু ঃ** যোহন ৪ঃ৩৫-৩৯ পদত চাওক, আমি কি চোৱা ঈশ্বৰৰ ইচ্ছা।

২। **ওঁঠ ঃ** লূক ২৪ঃ৪৬-৪৮ পদত চাওক, যীচুৰ বিষয়ে আমি কি কব লাগে।

৩। **হাত** (বাইবেল) **ঃ** ২ তীমথিয় ২ঃ২ পদত চাওক, ঈশ্বৰৰ বাক্যেৰে আমি কি কৰিব লাগে।

মথি ২৮ঃ১৮-২০ পদত চাওক, শিষ্যবিলাকে কি কৰিব লাগে তাৰ কাৰণে আমি কি শিকাব লাগে।

৪। **অন্তৰ ঃ** ১কৰিন্থীয়া ১৩ঃ১-৩ পদত চাওক, কিহে আমাৰ কৰ্ম্ম ফলদায়ক কৰে।

ইব্ৰী ১১ঃ৬ পদত চাওক, ঈশ্বৰে কাৰ্য্য কৰিবলৈ আমাক কিহৰ প্ৰয়োজন।

১ থিচলনীকীয়া ৫ঃ১৭ পদত চাওক, সকলো সময়তে আমি কি কৰা উচিত।

পাঁচনিৰ কৰ্ম্ম ১ঃ৮ পদত চাওক, কাৰ পৰা আৰু কিয় আমি ক্ষমতা পাব লাগে।

৫। **হাত** (চাবি) **ঃ** মথি ১৬ঃ১৩-১৯ পদত চাওক, পিতৰক যীচুৱে কি প্ৰতিজ্ঞা কৰিছিল।

মথি ১৮ঃ১৮ পদত চাওক, আন কোনে এই প্ৰতিজ্ঞা পাইছিল।

যোহন ২০ঃ২২-২৩ পদত চাওক, আমাৰ যোগেদি ঈশ্বৰে কি কৰে।

৬। **ভৰি** (জোতা) **ঃ** ইফিচীয়া ৬ঃ১৫ পদত চাওক, কেনে ধৰণৰ জোতা ঈশ্বৰে যোগায়।

যিচয়া ৫২ঃ৭ পদত চাওক, কবিৰ ভাষাৰে ভৰি দুখনক কিয় সুন্দৰ বোলা হয়।

৭। **সহায়কৰী ঃ** পাঁচনিৰ কৰ্ম্ম ১১ঃ১২ পদত চাওক,, পিতৰৰ কেইজন সহায়কাৰী আছিল।

পাঁচনিৰ কৰ্ম্ম ১৩ঃ২-৫ পদত চাওক, পৌলৰ কেইজন সহায়কাৰী আছিল।

লূক ১০ঃ১ পদত চাওক, কেইজনে একেলগে যাত্ৰা কৰিছিল।

**উত্তৰবোৰ**

১। **চকু ঃ** পথাৰত চকু দিয়া য'ত শস্য দাবলৈ যুগুত হৈ আছে, সেয়ে হৈছে, মানুহবিলাকে অনুতাপ কৰি বিশ্বাস কৰিব।

২। **ওঁঠ ঃ** অনুতাপ কৰা সকলোলৈ যীচুৰ মৃত্যু আৰু জীৱন দিয়া পুনৰুত্থান আৰু ক্ষমাদান ঘোষনা কৰা।

৩। **হাত** (বাইবেল) ঃ আমি যি শুনিলোঁ তাক আনক জনোৱা, আৰু যীচুৰ আজ্ঞা পালনকাৰী হবলৈ বিশ্বাসী সকলক শিকোৱা।

৪। **অন্তৰ ঃ** পবিত্ৰ আত্মাৰ শক্তিৰে আটাই কাম প্ৰেম, বিশ্বাস আৰু প্ৰাৰ্থনাৰে কৰা।

৫। **হাত** (চাবিবোৰ) ঃ যীচুৱে তেওঁৰ ৰাজ্যলৈ মূল বান্ধনি প্ৰতিজ্ঞা কৰিছিল, যি পাপ ক্ষমা দিয়াৰ এক চিন হয়। তেওঁৰ আন শিষ্যবিলাককো যীচুৱে একে ক্ষমতাৰে প্ৰতিজ্ঞা দিছিল। পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱা বিশ্বাসী সকলক পাপ ক্ষমা কৰাৰ এই ক্ষমতা যীচুৱে প্ৰতিজ্ঞা কৰিছিল।

যীচুৱে নিজে জঠৰ ৰোগীৰ পাপ ক্ষমা কৰিবলৈ এই উপায় অৱলম্বন কৰিছিল, যেতিয়া চাৰিজন মানুহে ওপৰৰ চাল গুচাই বাট কৰি তললৈ নমালে যাতে যেন যীচুৱে তেওঁক সুস্থ কৰিব পাৰে (মাৰ্ক ২ঃ১-১২)। তেওঁবিলাকৰ বিশ্বাসৰ কাৰণে যীচুৱে তেওঁৰ পাপ ক্ষমা কৰিলে।

আমি সেই উপায় ব্যৱহাৰ কৰিব পাৰোঁ, যেতিয়া আমি পবিত্ৰ আত্মাৰ শক্তিৰে বিশ্বাস কৰোঁ যে কোনোজনে যীচুক আৰু তেওঁৰ ক্ষমাদান গ্ৰহণ কৰিব। আন এগৰাকী ব্যক্তিৰ মন পৰিবৰ্ত্তন আৰম্ভ হয় যেতিয়া এগৰাকী বিশ্বাসীয়ে ক্ষমতাৰে যীচুৰ সাক্ষ্য হয়। তেতিয়া অৱশ্যে তেওঁলোকৰ মন পৰিবৰ্ত্তন সিদ্ধ কৰিবলৈ আন গৰাকী ব্যক্তিয়ে তেওঁৰ নিজৰ বিশ্বাস প্ৰয়োগ কৰিব লাগিব।

৬। **ভৰি ঃ** "শুভবাৰ্ত্তাৰ প্ৰস্তুতাৰে" আমাৰ ভৰিত পিন্ধা হব লাগিব। যাৰ অৰ্থ হৈছে আমি মানুহলৈ আনন্দৰ শান্তি আৰু সুখ আনোঁ।

৭। **সহায়কাৰী ঃ**

(ক) পৰজাতিবিলাকক যীচুৰ বিষয়ে কবলৈ যাওঁতে পিতৰৰ ছয়জন সহায়কাৰী আছিল।

(খ) পৌল আৰু বাৰ্নববাক, তেওঁলোকৰ সহায়কাৰী যোহন (মাৰ্ক)ৰ লগত আন্তিয়খিয়াৰ পৰা আন দেশলৈ পঠোৱা হৈছিল।

(গ) খ্ৰীষ্টে ৭০ জনক যোৰ যোৰকৈ (দুজনৰ দল) পঠিয়াইছিল। যীচু আৰু তেওঁৰ পাঁচনিবিলাকে সাধাৰণতে অকলে নহয়, সৰু গোটত কাম কৰিছিল।




**পবিত্ৰ আত্মাৰ পৰিপূৰ্ণ হোৱা**

পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱা অথবা তেওঁৰ ক্ষমতা পোৱা বিষয়ে য'ত বাইবেল শাস্ত্ৰই উল্লেখ কৰিছে, ইয়াৰ উদ্দেশ্য হৈছে, বিশ্বাসী সকলক ঈশ্বৰৰ কাৰণে কিছুমান অতি কাৰ্য্যমূল কাম কৰা। উদাহৰণ স্বৰূপে, চিমচনৰ ওপৰলৈ পবিত্ৰ আত্মা অহাত তেওঁ এটা সিংহক বধ কৰিলে, য'ৰ পৰা এলানি ঘটনা আৰম্ভ হৈছিল যিহে ইস্ৰায়েলবিলাকক

তেওঁলোকৰ শত্ৰুৰ হাতৰ পৰা মুকলি কৰিছিল। পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱাৰ উদ্দেশ্য কেতিয়াও সাধাৰণ ভাৱে মানুহক এক অস্বাভাৱিক আবেগিক অভিজ্ঞতা দিয়া নহয়। বাইবেলত এটা সময়ত মাত্ৰ উপাসনাকাৰী সকলে জপিয়াইছিল আৰু চিঞৰিছিল, ঈশ্বৰে এলিয়াক সিবিলাকক বধ কৰিবলৈ দিলে (১ ৰাজাৱলি ১৮ঃ২৫-৪০)।

**২। সপ্তাহটোত কৰিবলগীয়া কামৰ আঁচনি সহ-কৰ্ম্মী সকলৰ লগত কৰক।**

- যীচুৰে কোৱাৰ দৰে সাক্ষৰ হবলৈ ক্ষমতাৰ নিমিত্তে প্ৰাৰ্থনা কৰক।
- খ্ৰীষ্ট বিহীন হৈ হেৰুৱা লোকৰ নিমিত্তে প্ৰাৰ্থনা কৰক।
- যীচুৰ বিষয়ে কবলগীয়া তেওঁলোকৰ বন্ধুবৰ্গ আৰু পৰিয়ালবোৰ কোন বিশ্বাসীসকলক সোধক আৰু পৰিদৰ্শন কৰক। তেনে কৰোঁতে যদি তেওঁ বিলাকক সহায়ৰ প্ৰয়োজন, তেন্তে তেওঁলোকৰ লগত যাওঁক আৰু সেই কাম আৰম্ভ কৰাত সহায় কৰক।

**৩। হবলগীয়া উপাসনা সময়ৰ আঁচনি সহ-কৰ্ম্মী সকলৰ লগত কৰক।**

পিতৰ আৰু যোহনে কেনেকৈ এজন মানুহক সুস্থ কৰিলে আৰু অনেকক যীচুৰ বিষয়ে কলে, কওক। ওপৰৰ প্ৰশ্নবোৰ সোধক।

বৰ্ণনা কৰক, ক্ষমতাৰে সাক্ষ্য হবলৈ সাতটা সহায় (ওপৰত)।

বৰ্ণনা কৰক, এই ক্ষমতাৰ উদ্দেশ্য।

ল'ৰা ছোৱালীয়ে যুগুত কৰাখিনি পৰিবেশন কৰিবলৈ দিয়ক।

প্ৰভুৰ, ভোজ আগবঢ়াবলৈ যোহন ২১ঃ৯-১৪ পদ পঢ়ক আৰু এতিয়া আমি তেওঁৰ আৰু ইজনে সিজনৰ লগত এই ভোজ খোৱা যীচুৱে যে ইচ্ছা কৰে, বৰ্ণনা কৰক।

বিশ্বাসীসকলে ক্ষমতাৰে কেনেকৈ যীচুৰ সাক্ষ্য হৈছে, বিশ্বাসী সকলক তাৰ এক বিবৰণ দিবলৈ কওক।

ইজনে সিজনৰ কাৰণে প্ৰাৰ্থনা আৰু উদ্‌গনি দিবলৈ দুই বা তিনি জনীয়া দলত গোট খাওক।

**মুখস্থ কৰক,** পাঁচনিৰ কৰ্ম্ম ৪ঃ৩৩ পদ।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net